কৰি থাকোঁতে যদি ঘাম ঘাম গোন্ধায়, মুখৰ পৰা বিড়ি-ছিগাৰেটৰ গোন্ধ ওলায়, গেলা তামোলৰ গোন্ধ ওলায় তেতিয়া ছাত্ৰ-ছাত্ৰীৰ মনত সেই শিক্ষকজনৰ প্ৰতি বিতৃষ্ণাৰ জন্ম হয়। শ্ৰদ্ধা কমি যায়। ফলত তেওঁ যিমান ভাল শিক্ষা দিলেও ছাত্ৰ-ছাত্ৰীয়ে মনোযোগ নিদিয়ে। তামোল আৰু চাধাৰে মুখখন লেতেৰা বেছিন এটাৰ দৰে ঘিণ লগা হৈ থাকিলে ছাত্ৰ-ছাত্ৰীৰ সেইখন মুখলৈ চাবলৈ মন নাযায়। সেয়ে শিক্ষকৰ মুখখন পৰিষ্কাৰ হৈ থাকিব লাগে। মই গাত স্প্ৰে' মাৰি অহাৰ কাৰণ সেইটোৱেই। এটা হাণ্ড্ৰেড পাৱাৰৰ বাল্বৰ বাহিৰখন যদি ধোঁৱা আৰু ধূলিৰে চামনি পৰি লেতেৰা হৈ যায় তেতিয়া তাৰ পৰা কেতিয়াও উজ্জ্বল পোহৰ নিৰ্গত নহয়। তেনেকৈ এজন লেতেৰা, অপৰিপাটি জধলা শিক্ষক অজস্ৰ জ্ঞানেৰে চহকী হ'লেও বিশেষ লাভ নহয়। কাৰণ তেওঁৰ পৰা শিকিবলৈ ছাত্ৰ-ছাত্ৰী আগ্ৰহী নহয়।"

ৰিপুঞ্জয় বৰুৱাৰ কথা শেষ হোৱাৰ আগেয়ে দুজনমান কমন ৰুমৰ পৰা ওলাই গ'ল। জগত নেওগে আগদিনাৰ বাতৰিকাকতখনত মনোযোগ দিলে। মাত্ৰ নতুনকৈ বিজ্ঞান শিক্ষক হিচাপে যোগদান কৰা সূৰয দত্তই কৈছিল—"ছাৰ আপোনাৰ কথাখিনি শুনি শিক্ষক প্ৰশিক্ষণৰ কৰ্মশালাত বহি থকাৰ দৰে লাগিল।" সূৰয়ে অকলে ভাল পালে কি হ'ব? সকলোৱে ভাল পোৱা নাছিল। ৰিপুঞ্জয় বৰুৱাই হাঁহিছিল।

আজি শেৱালিৰ উপস্থিতিয়ে ৰিপুঞ্জয় বৰুৱাৰ অতীতৰ বহুত স্মৃতি সজীৱ কৰি পেলালে। এইজনী শেৱালি। এসময়ৰ প্ৰিয় ছাত্ৰী। তায়ো এতিয়া ছোৱালী হৈ থকা নাই। মহিলা হ'ল।

"তুমি কোন চনত মেট্ৰিক পাছ কৰিছিলা বাৰু?" —বৰুৱাই শেৱালিক সুধিলে।

"মই পঁচাশী চনত পাছ কৰিছোঁ ছাৰ।"

পঁচাশী ... তাৰ মানে শেৱালিৰ, তেওঁৰ ছাত্ৰীৰ বয়স এতিয়া পঞ্চাছ বছৰ পাৰ হ'ল—বৰুৱাই মনতে অংকটো কৰিলে।

"তুমি কি কৰোঁ বুলি ক'লা?"—বৰুৱাই মৰমেৰে সুধিলে।

"ছাৰ মই অংগনবাদী ছুপাৰ ভাইজাৰ ..." শেৱালিৰ তৃপ্তিভৰা উত্তৰটো বৰুৱাৰ ভাল লাগিল।

আজি পুৱা দহমান বজাত শেৱালি ওলালহি। তাইৰ চাকৰি গহপুৰত আছিল। অলপতে ইয়ালৈ ট্ৰেন্সফাৰ হৈছে। এই কেইদিন তাই মাকৰ ঘৰতে আছেহি। বিভাগীয় এনকুৱাৰি এটাত পুৱাই বৰুৱাহঁতৰ গাঁৱলৈ আহিছিল।

নিজৰ কাম শেষ কৰি তাই বৰুৱা ছাৰৰ ঘৰলৈ আহিল। তাই ঘৰ বিচাৰি সুধিবলগীয়া হ'ল। কাৰণ বৰুৱা আগৰ পুৰণি ভেটিত নাই। হাইৱেৰ কাষলৈ উঠি আহি ঘৰ-বাৰী কৰিলে। শেৱালি প্ৰথমে পুৰণি ঘৰলৈ গৈছিল। স্কুলত পঢ়ি থাকোঁতে তাই বৰুৱা ছাৰৰ ঘৰলৈ আহিছিল দুবাৰমান।

শেৱালি সোমাওঁতে বৰুৱাই ভিতৰত দ্বিতীয় চাহকাপ খাই আছিল। ভাত খোৱাৰ সময়লৈকে বৰুৱাই দুকাপ চাহ খায়। ৰিটায়াৰমেণ্টৰ পাছত সেইটো অভ্যাস তেওঁৰ। বৰুৱানী চোতালত আছিল।

শকত ধুনীয়া মহিলা এগৰাকীয়ে বাইদেউ বুলি মাতি সোমাই আহিল। বৰুৱানীয়ে অবাক হৈ চাই থাকোঁতেই মহিলাগৰাকীয়ে বৰুৱানীৰ ভৰি চুই সেৱা এটি কৰিলে।

"বাইদেউ, মই শেৱালি হাজৰিকা। ছাৰৰ ষ্টুডেণ্ট আছিলোঁ।"

"তুমি আমাৰ ঘৰলৈ আহিছা নহয় আগতে, মোৰ মনত পৰিছে এতিয়া।"

বৰুৱানীয়ে ক'লে আৰু হাতত ধৰি শেৱালিক পৰ্টিকলৈ লৈ আহিল।

"শেৱালি বহা, মই ছাৰক মাতি দিওঁ।"

বহা কোঠাটোৰ বুকছেলফকেইটা কিতাপেৰে ঠাহ খাই আছে। শেৱালিৰ মনটো বৰ ভাল লাগিল। ছাৰে এতিয়াও পঢ়াশুনা কৰি আছে।

শেৱালিৰ নামটো শুনি ৰিপুঞ্জয় বৰুৱা চঁক খাই উঠিল। বুকুত কিবা এটা লাগি ধৰা যেন লাগিল। এবাৰ সেপ ঢুকিলে। সেইজনী শেৱালিয়েই নে এইজনী বেলেগ শেৱালি।

হয়, সেইজনী শেৱালিয়েই কিন্তু তাহানিৰ দশম শ্ৰেণীত পঢ়ি থকা লাহি-পাহি শেৱালিজনী নহয়। তেওঁৰ সন্মুখত এগৰাকী সুন্দৰী, ভদ্ৰ মহিলা।

"শেৱালি ...।" স্নেহ মিহলি কণ্ঠেৰে মাত লগালে বৰুৱাই।

"ছাৰ ...।" বহাৰ পৰা উঠি আহি বৰুৱাৰ ভৰিতে মূৰটো পেলাই দিলে শেৱালিয়ে।

"নাপায় উঠা, উঠা শেৱালি।" আলফুলকৈ দুই বাহুত ধৰি বৰুৱাই তাইক থিয় কৰাই দিলে। বৰুৱাই শেৱালিৰ মুখলৈ চালে।

তাইৰ দুই চকুৰে বৈ আহিছে দুধাৰি চকুলোঁ।

"নাপায় কান্দিব নাপায় ...।" বৰুৱাৰ মাতষাৰো আবেগিক হৈ উঠিল।

"ছাৰ মই আনন্দত কান্দিছোঁ। আপোনাক এনেদৰে দেখা পাই মোৰ কিমান যে ভাল লাগিছে। বুজাবলৈ ভাষা নাই ছাৰ মোৰ ..."

শেৱালিয়ে বৰুৱাৰ সন্মুখত চকীত বহিবলৈ উচপিচ কৰিছিল।

"বহা, তুমি মোৰ সন্মুখত চকীত বহিলে মোক অসন্মান কৰা নুবুজায়। নিজৰ সন্তানো ডাঙৰ হ'লে বন্ধুতুল্য হয়। তুমিও এতিয়া মোৰ বাবে বন্ধুতুল্য। বহা, উইদাউট এনি হেজিটেশ্যন।"

শেৱালিয়ে সহজ হৈ কথা-বতৰা আৰম্ভ কৰিলে।

"ছাৰ ভাইটিটো ক'ত থাকে? কি কৰে?" এৰাতো শেৱালিয়ে সোণমানুহক কেঁচুৱাতে পাইছিল নহয়। মৰমো কৰিছিল খুব।

"অ' তোমাৰ মনত আছে নহয়।"

"আছে ছাৰ। প্ৰীতম নাছিল জানো তাৰ নাম। মৰমতে মতা নাম আছিল সোণমানুহ।" বৰুৱা আচৰিত হ'ল।

"এ, তোমাৰ দেখোন সব কথাই মনত আছে। সি গুৱাহাটীত থাকে। এছ বি আইত চাকৰি কৰে। বোৱাৰীয়েও বেংকতে কৰে। ব্ৰান্সকেইটা বেলেগ। নাতি এটাও আছে।"

"সব কথাই মনত আছে ছাৰ। আপুনি ইংৰাজী...।"

"শেৱালি চাহ খাই লোৱা। আৰু এটা কথা। তুমি ভাতকেইটা ইয়াতে খাব লাগিব। এতিয়া ছাৰৰ লগত কথা পাতি লোৱা। পাছত পাকঘৰত মোৰ লগত।" চাহৰ প্লেট লৈ বৰুৱানী সোমাই আহিল।

"বাইদেউ।" শেৱালিয়ে কিবা এষাৰ ক'ব খুজিছিল।

"ওঁহো, তুমি মোৰ কথা নুশুনিবা নেকি?" শেৱালিয়ে সন্মতিসূচক হাঁহি এটা মাৰিলে।

"বাইদেউ, ছাৰক চাহ নিদিলে?"

"ছাৰে তুমি সোমাওঁতে ভিতৰত চাহ খাই আছিল।"

"আপোনাৰ হাতৰ এনেকুৱা পিঠা আগতেও খাইছোঁ। মোৰ মনত পৰিছে।" ৰঙাকৈ ভজা ফুলি থকা পিঠা এটা হাতত লৈ শেৱালিয়ে ক'লে।

"ছাৰৰ এইটো পিঠা নহ'লে চাহ খোৱাই নহয়। মই নাথাকিলে কোনে ভাজি খুৱাব ঈশ্বৰেহে জানে।" বৰুৱানীয়ে বৰুৱালৈ চালে।

"নাপায় বাইদেউ তেনেকৈ ক'ব। আপোনালোক যুগ যুগ এনেকৈয়ে থাকক।" শেৱালিয়ে প্ৰাৰ্থনা কৰাৰ দৰে কৰিলে।

বৰুৱানী ভিতৰলৈ সোমাই গ'ল। শেৱালিয়ে প্ৰীতমৰ কথা সুধিলে—"ভাইটিয়ে বেংকৰ কামৰ পৰা ঘৰলৈ আহিবলৈ সময় পায়নে ছাৰ?"

"সেইকণেই দুখ বুইছা। যেনে-তেনে বছৰত চাৰিবাৰমান আহে আৰু। তাতে সি হেড অফিছত থাকে। বোৱাৰী কিন্তু নাতিটোৰ সৈতে এৰাতি থাকিবলৈ হ'লেও মাহত এবাৰকৈ আহি থাকে। নাতিটো ডাঙৰ হ'লে তায়ো নোৱাৰিব। তাৰ পঢ়া-শুনাৰ কথা আহিব নহয়। আমি হালে গৈ থাকোঁ। এৰাতি-দুৰাতি থাকি আহোঁ।" বৰুৱাই হুঁহাৰ দৰে কৰিলে।